# সন্তপিতাৰ ভাষন – বিশ্ব ধৰ্মপ্ৰচাৰ দিৱস

১১ অক্টোবৰ,২০২৫

সকলো লোকৰ মাজত আশাৰ ধৰ্মপ্ৰচাৰক সকল আৰু মৰমৰ ভাই- ভনীহঁত,

এই জয়ন্তী বছৰ ২০২৫ ত যাৰ মূল বাৰ্তা হৈছে আশা (Spes Non Confundit 2025) এই বছৰৰ কাৰণে মই বাছি লৈছোঁ "সকলো লোকৰ মাজত আশাৰ ধৰ্ম প্ৰবৰ্তক সকল। মই প্ৰতিজন খ্ৰীষ্টীয় লোকক আৰু সমগ্ৰ খ্ৰীষ্ট মণ্ডলীক, যি সকলোৱে দীক্ষা স্নান কৰিলে, তেওঁলোকৰ মনত পেলাব খুজিছো যে তেওঁলোক খ্ৰীষ্টীয় পদাংকত আছে আৰু তেওঁলোক হ'ল খ্ৰীষ্টৰ বাৰ্তাবাহক আৰু আশাৰ নিৰ্মাতা। মই বিশ্বাস কৰোঁ যে আমাৰ সকলোৰ কাৰণে এইটো জীৱন্ত ঈশ্বৰৰ মাজতে অনুগ্ৰহৰ বছৰ হব। তেওঁ পুনৰুত্থিত খ্ৰীষ্টতে আমাক পুনৰ জন্ম দান কৰি আমাৰ বাবে জীৱন্ত আশা হৈছে (১ পিতৰ ১:৩-4) ইয়াত মই উল্লেখ কৰিব খুজিছো কিছুমান প্ৰাসঙ্গিক যুক্তি যাতে আমি খ্ৰীষ্টৰ কামবোৰ কৰি পবিত্ৰ আত্মাৰ দ্বাৰা পৰিচালিত হব পাঁৰো, আৰু তেনেকৈয়ে অন্ধকাৰৰ ছাঁ ঢ়াকি থকা পৃথিৱীত আমি আশা বিয়পাব পাৰো (Fretelli Tutti 9:55)

পবিত্ৰ বছৰ ২০০০ ৰ জয়ন্তীৰ পিছত এইয়া সাধাৰণ জয়ন্তী। এতিয়া আমি খ্ৰীষ্টতে আমাৰ দৃষ্টি ৰাখিছোঁ, তেওঁহে বুৰঞ্জীৰ কেন্দ্ৰ। তেওঁ কালি, আজি আৰু সদাকাললৈকে একেই হৈ আছে। নামঘৰত যীচুৱে ঘোষণা কৰিছিল যে গোটেই ধৰ্মগ্ৰন্থ তেওঁতে পূৰণ হয়। তেওঁক পবিত্ৰ আত্মাৰ দ্বাৰা অভিষিক্ত কৰি পিতৃ ঈশ্বৰে পঠাইছিল যাতে তেওঁ ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তা ঘোষণা কৰিব পাৰে আৰু গোটেই মানৱজাতিৰ বাবে অনুগ্ৰহৰ বছৰ উদ্বোধন কৰিব পাৰে (LK 4: 16-21), আৰু তেনেকৈ তেওঁৰ মাজতে এই কালৰ পৰিপূৰ্ণতা ঘটিব। তেওঁৰ এই দিনটো পৃথিবীৰ শেষলৈকে চলিব। এই কালছোৱাতেই খ্ৰীষ্ট হব সকলো মানুহৰ বাবে পৰিত্ৰাণৰ পৰিপূৰ্ণতা। বিশেষকৈ তেওঁ হব পৰিপূৰ্ণতা যি সকলৰ আশা কেৱল ঈশ্বৰতে থাকে। পৃথিবীৰ মাজত জীয়াই থকা সময়ত তেওঁ চাৰিওফালে ঘূৰি ফুৰি সৎ কৰ্ম কৰি চয়তানৰ কবলত অত্যাচাৰ পোৱা সকলোকে সুস্থ কৰিছিল (পাচনি ১০:৩৮)। প্ৰয়োজনত থকা বিলাকলৈ আৰু সাধাৰণ মানুহ বিলাকলৈ ঈশ্বৰৰ ভাৰসা ঘুৰাই আনিলে। তেওঁ পাপৰ বাহিৰে সকলো দুৰ্বলতা অনুভৱ কৰিলে। তেওঁ পাৰ কৰিলে তেনেবোৰ সময় যিটোৱে মানুহক নিৰাশাত পেলাব পাৰে, যেনে গেৎচেমেণি বাগিচাৰ আৰু ক্ৰোচৰ যাতনা। যীচুৱে এই সকলোবোৰকে পিতৃ ঈশ্বৰৰ হাতত অনুগত্য হৈ সমৰ্পণ কৰিলে। তেওঁ সকলো মানুহৰ বাবে পিতৃ ঈশ্বৰৰ পৰিত্ৰাণ দায়ক আচনিত ভাৰসা ৰাখিলে, যিটো আছিল আশাৰে পৰিপূৰ্ণ শান্তিৰ আচনি (জেৰেমিয়া 29:11)। তেনেকৈয়ে তেওঁ হৈ গ'ল আশাৰ ধৰ্ম প্ৰচাৰক। এইদৰে তেওঁ হ'ল আৰ্হি তেওঁলোকৰ বাবে যিসকলে আগন্তুক শতিকাবোৰত বিৰাট কষ্ট সাধন কৰি ঈশ্বৰে দিয়া দৌত্য কাৰ্য্যত পৰিণত কৰিব।

সকলো লোকলৈ প্ৰেৰণ কৰি আৰু আধ্যাত্মিকভাৱে তেওঁলোকৰ লগত চলন ফুৰণ কৰি প্ৰভু যীচুৱে মানৱ জাতিৰ বাবে তেওঁৰ আশাৰ দৌত্য শিষ্যবিলাকৰ জৰিয়তে অব্যাহত ৰাখিছে। তেওঁ এতিয়াও দৰিদ্ৰ, দুখীয়া, আশাহীন আৰু উৎপীড়িত সকলো লোকৰ প্ৰতি কাৰুণ্যৱান হয় আৰু তেওঁলোকৰ ঘাবোৰত শান্তনাৰ আৰু আশাৰ ঔষদ লেপন কৰে (Preface: Jesus the Good Samaritan)। ধৰ্ম মণ্ডলীয়ে খ্ৰীষ্টৰ প্ৰচাৰকৰ দায়িত্বত থাকে। তেওঁলোকে গুৰু আৰু প্ৰভুৰ প্ৰতি বাধ্য হৈ আৰু একে ধৰণৰ সেৱাৰ মনোভাৱেৰে সকলো জাতিৰ মাজত থাকি, জীৱন আহুতি দিয়ে। তাড়না আৰু দুখ কষ্টৰ সন্মুখীন হৈ থাকে তেওঁ, নিজৰ ক্ৰুটিবোৰৰ কাৰণেও, সদস্য সকলৰ বিফলতাবোৰৰ কাৰণেও বেদনা পাইহে ধৰ্মমণ্ডলীয়ে খ্ৰীষ্টৰ প্ৰেমৰ শক্তিৰেই প্ৰচাৰক হৈ তেওঁলোকৰ সেৱাৰ যাত্ৰাত আগুৱাই থাকিবলৈ প্ৰেৰণা পায়। মণ্ডলীয়ে খ্ৰীষ্টৰ জৰিয়তে আৰু খ্ৰীষ্টৰ সৈতে বেদনাত ভুগি থকা মানৱ জাতিৰ ক্ৰন্দন আৰু পৰিত্ৰাণ পাবলৈ অপেক্ষা কৰি থকা প্ৰত্যেক সৃষ্টিৰ বিলাপ শ্ৰৱন কৰিবলৈ বাধ্য হৈ যায়। এইটোৱে সেই খ্ৰীষ্ট মণ্ডলী যাক প্ৰভু যীচুৱে তেওঁৰ পদাংকত খোজ কাঢ়িবলৈ খাতিৰ কৰি থাকে। এই খ্ৰীষ্ট মণ্ডলীটো সক্ৰীয় মণ্ডলী হয়, নিশ্চল নহয়। এই মণ্ডলীয়ে খ্ৰীষ্টৰ লগতে জগতৰ আলিবাটেদি ভ্ৰমণ কৰি থাকে (Homily-Synood of Bishops 2024)। আমিও যেন তেওঁৰ লগতে খোজ কাঢ়িবলৈ অনুপ্ৰাণিত হৈ থাকিবলৈ আমাক দিয়া হয় যাতে আমি খ্ৰীষ্টৰ পদাংকত খোজ কাঢ়ি, যি ঠাইত আৰু যিবোৰ পৰিবেশত আমাক ঈশ্বৰে দিছে তাতে আমি তেওঁৰ চিন আৰু বাৰ্তাবাহক হৈ যাওঁহক। প্ৰতিজন দীক্ষিত ব্যক্তিয়ে খ্ৰীষ্টৰ প্ৰচাৰক হৈ যাওঁহক আৰু তেওঁৰেই আশা এইখন পৃথিবীৰ চুকে কোণে প্ৰজ্বলিত কৰি থাকোহক।

এই আশাৰ দিগন্তই এই পৃথিবী পাৰ হৈ যোৱা বস্তুবোৰ অতিক্ৰম কৰি সেই ঐশ্বৰিক বাস্তৱতাৰ বাবে মুকলি কৰে। তাতে আমি এতিয়াও ভাগ বতৰা কৰোঁ। ষষ্ট সন্ত পিতা পৌলে উল্লেখ কৰামতে খ্ৰীষ্টই যিটো পৰিত্ৰাণ আগবঢ়ায়, সেইটো কেৱল অপৰিহাৰ্য্য, ভৌত্তিক বা আনকি আধ্যাত্মিক প্ৰয়োজনিয়তাৰ নহয়। কিন্তু ঈশ্বৰ নামৰ পৰম ব্যক্তিজনৰ সৈতে এক মিলন তৈয়াৰ কৰিবৰ কাৰণে সকলো সীমা অতিক্ৰম কৰি অহা তথ্য হয়। এইটোৱে হ'ল পৰিত্ৰাণ এই পৰিত্ৰাণ ভৌক্তিকৰো স্বৰ্গ ৰাজ্যৰো হয়। ইয়াৰ আৰম্ভ এই পৃথিবীত কিন্তু অনন্ত জীৱনতেহে সিদ্ধ হব। (Evangeli Nuntiandi 27) এই মহা আশাৰে প্ৰণোদিত হৈ খ্ৰীষ্টীয় সম্প্ৰদায়টোৱে নৱ মনুষ্যত্বৰ আদৰণি জনায়, যি মনুষ্যত্ব পৃথিবীৰ আটাইতকৈ বিকশিত অঞ্জলবিলাকত মানুহৰ ক্ৰটিবোৰকে আঙুলিয়াই দিয়ে । ইয়াত দেখিবলৈ পায় বিশাল পৰিভ্ৰান্তি, নিৰ্জনতা আৰু বয়স্কলোকৰ প্ৰতি আসক্তিহীনতা আৰু প্ৰয়োজনত ডুবি থকা চুবুৰিয়াৰ প্ৰতি উদাসীনতা, আটাইতকৈ বিকশিত দেশবোৰত পৰস্পৰ সম্বন্ধহীন। আমি পাৰ্গত হব বিছাৰিছোঁ আৰু পাৰ্থিৱ বস্তুবিলাকৰ সন্নিকট হৈ থাকোঁ। আমাৰ অভিলাষবোৰে আমাক আত্ম কেন্দ্ৰিক কৰি ৰাখিছে। আমি পৰোপকাৰী হোৱাত অক্ষম হৈছোঁ। আমি সমাজৰ মাজত শুভবাৰ্তা কেন্দ্ৰিক যি মানৱতা পাওঁ সেইটোৱে আমাক সম্পূৰ্ণ কৰে, স্বাস্থ্যৱান কৰে, পৰিত্ৰাণ প্ৰাপ্ত মানুহ কৰি তুলিব পাৰে।

ইয়াৰ কাৰণে আকৌ মই “Bull of Induction of the Jubilee (No 7-15) ত উল্লেখ কৰা কথাবোৰলৈ মনোযোগ দিবলৈ আহ্বান জনাইছোঁ। আহক আমি আটাইতকৈ দুখীয়া, দূৰ্বল, অসুস্থ, বয়সস্থ যিসকলক পাৰ্থিৱ আৰু ধনৱন্ত সমাজৰ পৰা বহিস্কৃত কৰা হৈছে, তেওঁলোকলৈ মনোযোগ দিওঁহক। এইটো কৰোঁতেও আমি ঈশ্বৰৰ ইচ্ছামতেহে কৰোঁহক। মানুহৰ লগত সন্নিকট হৈ,সম্প্ৰীতিৰে আৰু কৰুণাযুক্ত ভাৱে কৰোঁহক। আমাৰ ভাই-ভণ্টী বিলাকৰ লগত তেওঁলোকৰ নিজস্ব পৰিবেশত খাপ খাব পৰাকৈ এটা ব্যক্তিগত সম্বন্ধ বজাই ৰাখি কৰোঁহক ( Evangelii Gaudium 127-128) প্ৰায় ক্ষেত্ৰত তেওঁলোকেহে আমাক আশাৰে জীয়াই থাকিবলৈ শিকাই থাকে। ব্যক্তিগত সম্বন্ধ বজাই ৰাখিহে আমি আমাৰ কৰুণাময় প্ৰভুৰ প্ৰেম বাস্তৱত পৰিণত কৰিব পাৰিম। শুভবাৰ্তাৰ প্ৰচাৰৰ গুৰিত থাকে খ্ৰীষ্টৰ হৃদয়, ( Dilexit Nos. 32) এই উৎসৰ পৰা আৰম্ভ কৰিলেহে আমি সৰলভাৱে ঈশ্বৰৰ পৰা প্ৰাপ্ত কৰা আশা আনক প্ৰদান কৰিব পাৰিম (১ পিতৰ ১:২১) আৰু এনেকৈহে আমি যি শান্ত্বনা ঈশ্বৰৰ পৰা পালোঁ, সেই শান্ত্বনা আনকো প্ৰদান কৰিব পাৰিম। (২ কৰি ১:৩-৪) যীচুৰ মানবিক আৰু ঐশ্বৰিক হৃদয়ৰ যোগেদিহে ঈশ্বৰে মানুহৰ লগত কথা বতৰা কৰিবলৈ কামনা কৰিছে আৰু তেনেকৈয়ে সকলো মানুহক তেওঁৰ প্ৰেমলৈকে আকৰ্ষণ কৰিব বিচাৰিছে। আমি এই দৌত্য পবৰ্তন কৰি যোৱাটোহে আমাৰ পৰা বিছাৰিছে, যাতে আমি খ্ৰীষ্টৰ হৃদয়ৰ আৰু পিতৃৰ প্ৰেমৰ চিন হৈ, গোটেই পৃথিবীক সাৱটি ধৰিব পাৰিম। (Address to the Pontifical Mission Societies, 3 June,2023)

আমাৰ দৌত্য পুনৰাবৃতি কৰা : আমাৰ দৌত্যৰ বাধ্যতা মনত ৰাখি খ্ৰীষ্টৰ শিষ্যসকলে প্ৰথমতে আশাৰ প্ৰবৰ্তক আৰু প্ৰায় ক্ষেত্ৰত বিচলিত আৰু অসন্তুষ্টজনক মানৱতাৰ পুনৰ নিৰ্মাণকাৰী হবলৈ শিকিব লাগে। ইয়াৰ কাৰণে আমি প্ৰতিদিনে উদযাপন কৰা নিস্তাৰৰ শেষৰ তিনিদিনৰ উছৰ্গাত প্ৰাপ্ত কৰা আধ্যাত্মিকতাত আমি নতুনকৈ জন্ম লব লাগিব। আমি খ্ৰীষ্টৰ পৰিত্ৰাণ দায়ক মৃত্যু আৰু পুনৰুত্থানতে দীক্ষিত হৈছোঁ। সেইটোৱে বুৰঞ্জীৰ  বসন্তকাল, যেতিয়া খ্ৰীষ্টে মৃত্যুৰ মাজেদিয়েই জীৱনলৈ অতিক্ৰম হৈ যায়। ফলতে আমি হলোঁ বসন্তৰ মানৱ, আমি আশাৰে উপচি পৰিছোঁ, যিটো আমি আনৰ লগত ভাগ বতৰা কৰা উচিত কাৰণ খ্ৰীষ্টতে আমি বিশ্বাস কৰিছোঁ আৰু আমি জানিব পাৰিছোঁ যে মৃত্যু আৰু ঘৃণা ভাৱ মানৱৰ ওপৰত উচ্ছাৰণ কৰা শেষ বাক্য নহয়। ( Catechesis 23 আগষ্ট ২০১৭) নিস্তাৰ ৰহস্যই আমাৰ ধৰ্মৰীতিত আৰু সংস্কাৰবোৰত নৱ প্ৰৱৰ্তন কৰে। ইয়াৰ পৰাই আমি পবিত্ৰ আত্মাৰ শক্তি পাওঁ। ইয়াৰ পৰাই আমি বিশ্বব্যাপি ধৰ্মপ্ৰচাৰ কাৰ্য্যত প্ৰয়াস কৰিবলৈ তীক্ষ্ণতা, স্থিৰতা আৰু ধৈৰ্য্য পাওঁ। পুনৰুত্থিত আৰু মহিমান্বিত  খ্ৰীষ্টে হয় আশাৰ নিজৰা।তেওঁ আমাক যাচি দিয়া দৌত্য পূৰ্ণ কৰিবলৈ যি সাহায্য লাগে, সেইটোৰ পৰা আমাক বঞ্চিত কৰা নহব। (Evangelii Gaudium 275) তেওঁতে আমি জীওঁ, তেওঁৰ মাজতে আমি সেই পবিত্ৰ আশাৰ সাক্ষী হওঁ। এইটো ঈশ্বৰৰ এটা উপহাৰ আৰু খ্ৰীষ্টান সকলৰ বাবে এটা দৌত্য (Hope is a light in the night, Vatican city,2024,7)

আশাৰ ধৰ্ম প্ৰবৰ্ত্তকসকলে প্ৰাৰ্থনাৰে পুৰুষ আৰু নাৰী হয়। যি সকলোৱে ভাৰসা কৰে, তেওঁলোক প্ৰাৰ্থনাত লাগি থাকে। এনেকৈ মন্তব্য কৰিছিল সাধু বৰ ধৰ্মপালক FRANCOIS XAVIER VAN THUAN । তেওঁৰ দীঘলীয়া কাৰাবাসৰ কালত তেওঁক আশা- ভাৰসাত পৰিপুষ্ঠ কৰি ৰাখিছিল তেওঁৰ প্ৰাৰ্থনা আৰু পৰমান্ন গ্ৰহণৰ পৰা প্ৰাপ্ত কৰা আত্মীয় বলে। (THE ROAD OF HOPE, BOSTON, 2001,963) আমি মন কৰিছোঁ যে প্ৰাৰ্থানাই হ'ল প্ৰাৰম্ভিক পৰ্য্যায়ৰ ধৰ্ম প্ৰবৰ্তন আৰু একে সময়তে ভাৰসাৰ প্ৰথম শক্তি। ( Catechesis, 20, May,2020)

আহক আমি প্ৰাৰ্থনাৰ পৰা আৰম্ভ কৰি ভাৰসাৰ দৌত্যত লাগি থাকোঁহক। আমি আৰম্ভ কৰোঁ ঈশ্বৰৰ বাণীৰ পৰা, বিশেষকৈ গীতমালাৰ পৰা যাৰ বচক হ'ল পবিত্ৰ আত্মা (Cfr. Catechesis 19 June, 2024) গীতমালাই আমাক শিকাই দিয়ে দুখ সংকটৰ সময়ত আশা কৰি থাকিবলৈ। এইটো আমাক দেখুৱাই দিয়ে আমাৰ চাৰিওফালে থকা আশাৰ চিনবোৰ চিনাক্তকৰণ কৰিবলৈ আৰু তেনেকৈ এটা ইচ্ছাত বাঢ়ি থাকিবলৈ যাৰ জৰিয়তে অনন্ত কাল, অবিৰাম সকলো মানুহে ঈশ্বৰৰ স্তুতি কৰে। প্ৰাৰ্থনাৰ দ্বাৰা আমাৰ অন্তৰত ঈশ্বৰে লগোৱা আশাৰ অগ্নি শিখা জ্বলাই ৰাখোঁ যাতে এইটো এটা প্ৰকাণ্ড জুই হৈ আমাৰ চাৰিওফালে থকা সকলো লোকক প্ৰজ্বলিত কৰি তপত কৰি ৰাখে। আমি এইটো কৰিবলৈ লৈছোঁ প্ৰাৰ্থনাৰ পৰা। তাৰ পৰা অনুপ্ৰাণিত হৈ বাস্তৱিক কামবোৰ ক সমৰ্থন বুজোৱা অঙ্গি ভঙ্গিবোৰ বুজি আগুৱাই যাওঁ।

শেষতে, ধৰ্ম প্ৰচাৰ কাৰ্যটো খ্ৰীষ্টিয় আশাৰ নিচিনাকৈ এটা সমুদায়ৰ প্ৰক্ৰিয়া হয় (Benedict XVI, spe Salvi 14) সেই প্ৰক্ৰিয়াটো শুভবাৰ্তাৰ প্ৰথম ঘোষণা আৰু দীক্ষা গ্ৰহণতে সমাপ্ত নহয়। কিন্তু সেইটো প্ৰতিজন দীক্ষিত ব্যক্তিক শুভবাৰ্তাৰ পথত আগুৱাই লৈ খ্ৰীষ্টীয় সম্প্ৰদায় গঠন কৰালৈকে চলি থাকে। সম্প্ৰতি ধৰ্মমণ্ডলীৰ সদস্য হোৱা, কাৰ্যটো একেবাৰতে প্ৰাপ্ত কৰা বস্ত নহয়। সেয়েহে ধৰ্ম প্ৰচাৰৰ কাম, যাৰ দ্বাৰা ধৰ্ম বিশ্বাস হস্তান্তৰ কৰি খ্ৰীষ্টত বিশ্বাসৰ আকাৰ ৰূপ দিয়াটো ধৰ্ম মণ্ডলীৰ কাৰ্য্য কলাপৰ কেন্দ্ৰ স্থানতে থাকে (Evangelii Gaudium 15) এই কাৰ্য্যত প্ৰয়োজন আছে প্ৰাৰ্থনা আৰু ধৰ্ম প্ৰবৃত্তিৰ মিলন। এই ক্ষেত্ৰত মই গুৰুত্ব দিব বিচাৰিছোঁ খ্ৰীষ্টধৰ্মৰ নানা সম্প্ৰদায়বোৰ, যি বোৰৰ পৰা দীক্ষিত লোকৰ ধৰ্মপ্ৰচাৰৰ দায়িত্ব উদয় হয় আৰু নৱ নৱ মণ্ডলীবোৰক দাঙি ধৰা হয়। মই তোমালোক সকলোকে – লৰা ছোৱালী, যুৱক- যুৱতী,প্ৰাপ্ত বয়স্ক আৰু বৃদ্ধ লোকক আহ্বান জনাইছোঁ তোমালোকে যেন মণ্ডলীৰ এই প্ৰচাৰ কাৰ্য্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা। মই আহ্বান জনাইছো আৰু তেনেকৈ কৰিবলৈ হলে, তোমালোকৰ সাক্ষ্য, প্ৰাৰ্থনা, ত্যাগ, আচৰণ আৰু উদাৰ মনোভাৱৰ প্ৰয়োজন। এইদৰে কৰাৰ বাবে মই কৃতজ্ঞতা যাচিছোঁ।

মৰমৰ ভাতৃ- ভগ্নীসকল, আমি আমাৰ আশা, যীচুখ্ৰীষ্টৰ মাতৃলৈ, শ্ৰদ্ধা জনাইছোঁ। তেওঁলৈ উচৰ্গা কৰিছোঁ আমাৰ প্ৰাৰ্থনা আমাৰ জয়ন্তী উদযাপনৰ বাবে আৰু আগন্তুক বছৰবিলাকৰ কাৰণে। খ্ৰীষ্টীয় আশাৰ

জ্যোতিয়ে প্ৰতিজন স্ত্ৰী-পুৰুষক আলোকিত কৰক। এইটো সকলো মানুহলৈ প্ৰেৰণ কৰা ঈশ্বৰৰ প্ৰেমৰ বাণী হয়। ধৰ্ম মণ্ডলীয়ে যেন এই বাণীৰ বিশ্বস্ত সাক্ষী হওক পৃথিবীৰ প্ৰতিটো প্ৰান্তলৈকে। (Bull-Spes Non Confundit 6)

ৰোম,সন্ত যোহন লাটেৰান

২৫ জানুৱাৰী, ২০২৫

প্ৰেৰিত সন্ত পৌলৰ ধৰ্মান্তকৰণ উৎসৱ